**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-05-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::::::***

অহা ৪ জুনত দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪টা সমষ্টিৰ বাবে হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি আৰম্ভ কৰিছে। বিভিন্ন জিলাত ভোটগণনা কাৰ্যৰ বাবে প্ৰশাসনে প্ৰস্তুতিৰ বুজ ল'বলৈ বৈঠকত মিলিত হৈছে।

ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসনে তৎপৰ হৈ উঠিছে। গণনাৰ বাবে নিয়োজিত বিষয়া, মাইক্ৰ'অবজাৰ্ভৰ, সহকাৰী বিষয়াকে ধৰি সংশ্লিষ্টসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ আজি ডিব্ৰুগড় জিলা পুথিভঁৰালত অনুষ্ঠিত হয়। যোৱা ২৪ মে'ত প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল। একেদৰে তিনিচুকীয়া জিলাত ভোট গণনাৰ দায়িত্ব নিৰ্বাহ কৰিবলগীয়া বিষয়া কৰ্মচাৰীসকলৰ বাবে আজি এটা বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। জিলাখনৰ বৰদলৈ নগৰত থকা তিনিচুকীয়া নগৰ উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত প্ৰশিক্ষণ কাৰ্যসূচীত চাৰি শতাধিক বিষয়া-কৰ্মচাৰীয়ে অংশ লয়। প্ৰশিক্ষণ কালত ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো বিষয় বিতংকৈ ব্যাখ্যা কৰা হয়। উল্লেখযোগ্য যে তিনিচুকীয়া জিলা প্ৰশাসনে প্ৰথমবাৰৰ বাবে সৰ্বানন্দ সিংহ ষ্টেডিয়ামত ভোটগণনা কেন্দ্ৰ স্থাপন কৰিছে। এই কেন্দ্ৰত তিনিচুকীয়া নিৰ্বাচনী জিলাৰ অন্তৰ্গত ডিগবৈ, তিনিচুকীয়া, মাকুম আৰু ডুমডুমা বিধানসভা সমষ্টিৰ ভোটগণনা কৰা হ'ব। প্ৰতিটো সমষ্টিৰ বাবে ১৪খন টেবুলৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিখন টেবুলত একোগৰাকীকৈ গণনা তত্বাৱধায়ক, গণনা সহকাৰী আৰু একোজন মাইক্ৰ'অবজাৰ্ভাৰ থাকিব। অহা ৩১ মে'ত তেওঁলোকৰ আন এটা পৰ্যায়ত প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ইপিনে মাৰ্ঘেৰিটা মহকুমাধিপতি আৰু শদিয়া মহাকুমাধিপতিৰ কাৰ্যালয়ত মাৰ্ঘেৰিটা আৰু শদিয়া বিধানসভা সমষ্টিৰ ভোটগণনা কৰা হ'ব। অহা ৪ জুনৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব।

ইফালে, ৰাজ্যিক নিৰ্বাচন আয়োগেও ৪ জুনৰ ভোটগণনাৰ বাবে নিৰাপত্তা ব্যৱস্থাকে ধৰি সকলো প্ৰস্তুতি গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিছে। ৰাজ্যখনৰ ১৪টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য বন্দী হৈ থকা ইভিএমসমূহ ৫০টা ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। ষ্ট্ৰং ৰূমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে ইয়াৰ প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰ চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ছগৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৫টা সমষ্টি কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। আনহাতে দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ৬১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

ooooo

ৰেমল ঘূৰ্ণী বতাহৰ প্ৰভাৱৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি বন্ধ ৰখা হৈছে। অভ্যন্তৰীণ জল পৰিবহণ বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি কাইলৈও এই সেৱা বন্ধ থাকিব। সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰহ্মপুত্ৰত ব্যক্তিগত নাৱৰ চলাচলো বন্ধ কৰা হৈছে। একেদৰে শিৱসাগৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিৰ্দেশ অনুসৰি পূব মধ্য বংগোপ সাগৰত বিকশিত হোৱা ঘূৰ্ণী বতাহৰ পৰিপ্ৰেক্ষিতত সতৰ্কবাণী জাৰি কৰা হৈছে। এই অনুযায়ী জিলাখনত সকলো ফেৰী সেৱা পৰিচলনা কৰা বিভাগ আৰু ব্যক্তিগত নাও, জাহাজক আজি আৰু কাইলৈ এই সেৱা বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। অৱশ্যে অত্যাৱশ্যকীয় সেৱা, সাহায্য আৰু উদ্ধাৰ অভিযান কাৰ্যসূচীসমূহক এই নিৰ্দেশত সামৰি লোৱা হোৱা নাই। এই সময়ছোৱাত ব্ৰহ্মপুত্ৰ নদী আৰু উপ নদীসমূহত মাছ ধৰাৰ লগতে সাঁতোৰকে ধৰি জলক্ৰীড়াসমূহ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে।

ooooo

ৰে'লৰে সুৰক্ষা বাহিনী চমুকৈ আৰ পি এফে ৰে'লযোগে জালনোট সৰবৰাহৰ আন এটা প্ৰচেষ্টা আজি প্ৰতিহত কৰিবলৈ সমৰ্থ হয়। আৰ পি এফৰ এটা দলে কামাখ্যা ৰে'লৰে ষ্টেচনত ৪ নম্বৰ প্লেটফৰ্মত অভিযান চলাই আজি জালনোটসহ দুজন লোকক গ্ৰেপ্তাৰ কৰে। উত্তৰ প্ৰদেশ নিবাসী ধৃত সৰবৰাহকাৰীকেইজনৰ পৰা আৰ পি এফে ৫ লাখ ৭১ হাজাৰ ৫০০ টকাৰ জালনোট উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। জালনোটসমূহ সৰবৰাহকাৰী কেইজনে ক'ৰ পৰা আনিছিল সেই সন্দৰ্ভত ৰে'লৰে আৰক্ষীৰ দলটোৱে জেৰা অব্যাহত ৰাখিছে।

ooooo

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে সকলো ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ কুশীনগৰ, ছালেমপুৰ আৰু চাণ্ডৌলী লোকসভা সমষ্টিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কুশীনগৰৰ জনসাধাৰণক নিৰ্বাচনী সভাক সম্বোধন কৰি শ্ৰীশ্বাহে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনে দৰিদ্ৰতা দূৰীকৰণৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি দাবী কৰে। নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিৰ এটা ১০ বছৰীয়া সফল যাত্ৰাৰ লগতে ২৫ বছৰীয়া উন্নয়নৰ পৰিকল্পনা আছে বুলি মন্তব্য কৰি শ্ৰীশ্বাহে উত্তৰ প্ৰদেশৰ জনসাধাৰণক উন্নয়নমুখী যাত্ৰাৰ সহভাগী হ'বলৈ আহ্বান জনায়।

ইফালে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি বাৰানসীত বিভিন্ন নিৰ্বাচনী কাৰ্যসূচীত শিপিনী, মৃৎশিল্পী, ভোটাৰ তথা নাগৰিকৰ সৈতে মত-বিনিময় কৰে। জ্যেষ্ঠ বিজেপি নেতা ড০ মোহন যাদৱে আজি পাতলিপুত্ৰ সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীগৰাকীৰ হৈ পাটনাত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়েও পাটনা চাহিব সংসদীয় সমষ্টিত আৰু পাতলিপুত্ৰ লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ নেতাগৰাকীয়ে শাসকপক্ষক তীব্ৰ সমালোচনা কৰি কংগ্ৰেছ আৰু ইণ্ডি মিত্ৰজোঁটে সংবিধান সুৰক্ষাৰ খাতিৰত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা বুলি দাবী কৰে। নিৰ্বাচনী কাৰ্যসূচীসমূহত ৰাহুল গান্ধীৰ লগতে আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱ আৰু চি পি আই এম এলৰ নেতা দীপাংকৰ ভট্টাচাৰ্য উপস্থিত থাকে।

ooooo

ঃসমাপ্তঃ